অসম আদিত্য

RNI REG
ep
Portal
e-mail

২১ ভাদ, ১৯৪৮ শক ■ মঙলবাৰ, ৮ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, September 8, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা

তাৰ
শ
ৰ
ত।
উটন

নেলুটেঙ
মিহলি ব
নাশ হ
ধোৱা প
কৰিবে

ৰু সদস্যসকলৰ বয়স যাঠৰ
কৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান
ালয়ৰ অৱসৰপ্ৰাপ্ত বয়োজ্যেষ্ঠ
ওঁলোকৰ বাসগৃহত উপস্থিত
পন কৰি এক ব্যতিক্ৰমী শিক্ষক
ৃগড়স্থিত বিষয়ববীয়া আৰু
ক্ষিয়া পৰ্যন্ত তেওঁলোকৰ অতি
লুচি শইকীয়া দত্ত, মহিউদ্দিন
চাংমাই, ভোগলতা হাজৰিকা,
বৰাৰ বাসগৃহত উপস্থিত হৈ
ময়ৰ জৰিয়তে সকলোকে শ্ৰদ্ধা
মন্থন কৰি নষ্টালজিক হৈ পৰে।
সহযাত্ৰী ৭৮/৮১ ৰ মঞ্চখনিৰ
ুৱাহাটীত বাস কৰা শিক্ষাগুৰু
গৃহত উপস্থিত হৈ গুৰুসেৱা,
জ্ঞাপনৰে গুৰু-শিষ্য মিলনৰ
যাপন কৰি সমাজলৈ এটি সু-
৭৮/৮১, ডিব্ৰুগড়ৰ সাধাৰণ
অনুসৰি এই মঞ্চখনিত জড়িত
কোগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক।

তলত মঞ্চস্থ

লিত অভিনয়ে নাট্য প্ৰদৰ্শনীক এক
ৰ উচ্চতালৈ লৈ যায়। বিপনজিৎ
জয়ন্ত মেচ, প্ৰিয়ংকা চুতীয়া, ডিম্পি
নাবাল, মৃগাংক দিহিঙীয়া, আংশুমান
পণ্ডিত কাশ্যপ, জুমন চেতীয়া,
ষ্ণ চুতিয়া, আইৰীচা যুকন, দ্বীপান্বিতা
পংকি ৰাণী দহোতিয়া, পুষ্পাঞ্জলি
পৰিণ্মিতা যুকন, মঞ্জিল ময়ুৰ বৰুৱা,
মণি যুকন, অনুপল দত্ত, প্ৰশান্ত গগৈ,

কলি আই থান চৌহদত ডাঙৰীয়া থান মুকলি

ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ ছেপ্টেম্বৰঃ এক ইতিহাস সৃষ্টিৰে কেইবাশ বছৰ পূৰ্বে গঢ়ি উঠা ডিব্ৰুগড় শ্ৰীশ্ৰী কলি আই থান চৌহদত আজি নৱনিৰ্মিত ডাঙৰীয়া থান তথা শিৱ মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। পুৱাৰ পৰা মন্দিৰ চৌহদত শংখ-ঘণ্টাৰ পৱিত্ৰ ধ্বনি, হোম-যজ্ঞৰ সুৱাস আৰু শতাধিক ভক্তৰ 'হৰ হৰ মহাদেৱ' ধ্বনিৰে আজি মুখৰিত হৈ পৰিল ডিব্ৰুগড়ৰ এই ঐতিহ্যমণ্ডিত কলি আই থান চৌহদ। স্থানীয় ৰাইজৰ সৰ্বাত্মক সহযোগ আৰু মুক্তহস্ত দান-বৰঙনিৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা নতুন ডাঙৰীয়া থানখনিৰ অন্তভাগত ডাঙৰীয়াৰ প্ৰাণ প্ৰতিষ্ঠা কৰি এক মাংগলিক পৰিৱেশত আনুষ্ঠানিকভাৱে ভক্তসকলৰ বাবে মুকলি কৰা হয়। শ্ৰীশ্ৰী কলি আই থান পৰিচালনা সমিতিৰ উদ্যোগত ৰাইজৰ সহযোগত নিজৰ শ্ৰম আৰু আৰ্থিক অনুদানেৰে আধ্যাত্মিক সম্পদ গঢ়ি তোলাৰ এই প্ৰচেষ্টাক উপস্থিত সকলোৱে আজি ভূঁয়সী প্ৰশংসা কৰে। আজিৰ কাৰ্যসূচীৰ মূল আকৰ্ষণ বৈদিক প্ৰথা অনুসৰি মন্দিৰৰ প্ৰাণ-প্ৰতিষ্ঠা তথা ডাঙৰীয়া থানৰ যাগ-যজ্ঞৰ মাধ্যমেৰে পুৱাই বৈদিক মন্ত্ৰোচ্চাৰণেৰে ডাঙৰীয়া থানৰ প্ৰাণ-প্ৰতিষ্ঠা সম্পন্ন কৰা হয়। আজি এই ঐতিহাসিক ক্ষণত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পৰিচালনা সমিতিৰ সদস্যসকলৰ সৈতে মত-বিনিময় কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়— আজিৰ দিনটো ডিব্ৰুগড়ৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব। ই এক শিল-বালি, চিমেণ্টৰ গাঁথনি নহয়, ই হ'ল সমগ্ৰ মানৱ সমাজখনৰ একতা, নিষ্ঠা আৰু উমৈহতীয়া বিশ্বাসৰ এক জীৱন্ত প্ৰতীক। মানুহৰ মন আৰু লক্ষ্য থাকিলে দান-বৰঙনিৰে আধ্যাত্মিক ঐতিহাসিক কীৰ্তিস্তম্ভ গঢ়ি তুলিব পাৰি সেয়া আই থান পৰিচালনা সমিতিয়ে কৰি দেখুৱালে বুলি তেওঁ কয়। ড০ শইকীয়াই কয়— পৰিচালনা সমিতিৰ নিঃস্বাৰ্থ ত্যাগ, আধ্যাত্মিকতা আৰু ভগৱানৰ প্ৰতি থকা অগাধ বিশ্বাস গঢ়ি তোলাৰ ক্ষেত্ৰত ইয়াতকৈ সুন্দৰ আৰু পৱিত্ৰ উদাহৰণ আন কোনো থাকিব নোৱাৰে। মহাদেৱ শিৱ হ'ল ত্যাগ, সংহাৰ আৰু নৱসৃষ্টিৰ প্ৰতীক। হোম-যজ্ঞৰ জুইত আহুতি দিয়াৰ দৰে এই থানখনে সমাজৰ প্ৰতিজনৰ মাজত ভেদভাৱ আৰু অহংকাৰ, নেতিবাচক চিন্তা বিসৰ্জন দিব বুলিও তেওঁ কয়। তেওঁ কয়— এই মন্দিৰ, থান কেৱল পূজা কৰাৰ স্থান হৈ নাথাকে ই যেন নতুন প্ৰজন্মক সংস্কৃতি, মানৱতা আৰু ঐক্যৰ পাঠ শিকোৱা এক বিখ্যাত আধ্যাত্মিক কেন্দ্ৰ হৈ পৰে। যিসকল নিষ্ঠাৱান ব্যক্তি আৰু ৰাইজৰ অক্লান্ত দান-বৰঙনিৰে মন্দিৰভাগ সম্পূৰ্ণ হৈ উঠিল সেই সকলোকে তেওঁ কৃতজ্ঞতা আৰু ধন্যবাদ জনায়। এই মন্দিৰভাগে সকলোৰে জীৱনলৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি তেওঁ কয়। মন্দিৰ

মুকলিৰ পিছতেই বিশ্ব শান্তি আৰু সমাজৰ কল্যাণৰ অৰ্থে আয়োজিত মহাৰুদ্ৰ যজ্ঞত বহু ভক্তই আহুতি প্ৰদান কৰে। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ভীমকান্ত সন্দিকৈ, যুটীয়া সম্পাদক অঞ্জন চেতিয়া, প্ৰবীন বৰা, উপ-সভাপতি অঞ্জন গগৈ, ধ্ৰুৱ সন্দিকৈ, সদানন্দ গগৈ, সহকাৰী সম্পাদক কুশল শইকীয়াই জানিবলৈ দিয়া মতে, প্ৰতিটো ইটাৰ পৰা আৰম্ভ কৰি মন্দিৰৰ চূড়ালৈকে প্ৰতিটো অংশতেই ভক্তপ্ৰাণ ৰাইজৰ পৱিত্ৰ অৱদান জড়িত হৈ আছে। ডিব্ৰুগড়ৰ জনপ্ৰিয় পুৰোহিত অনুপ শৰ্মাই আজি প্ৰায় পাঁচ ঘণ্টা যাগ-যজ্ঞ, মন্ত্ৰপাঠ কৰি, বৈদিক পৰম্পৰা মানি ঐতিহাসিক থান তথা মন্দিৰভাগ মুকলি কৰে। অনুষ্ঠানত মন্দিৰৰ ওপৰ ভাগৰ কলহ আৰু ত্ৰিশূলভাগ দান আগবঢ়োৱা ডিব্ৰুগড় গড়কাপ্তানি বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা বিজু গগৈ, বিশিষ্ট শিল্পী জিতেন দাস, ৰুবী গগৈ সন্দিকৈ, বিশিষ্ট সমাজকৰ্মী ৰঞ্জিত বৰুৱা, চিৰঞ্জীৱ ঘৰফলীয়া, প্ৰীতি ঘৰফলীয়াকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। পূজা-অৰ্চনাৰ অন্তত সামূহিক প্ৰসাদ বিতৰণৰ যোগেদি মন্দিৰ মুকলি কৰা দিনজোৰা কাৰ্যসূচীৰ অন্ত পৰে। উল্লেখ্য যে, কেইবাশ বছৰৰ পূৰ্বে আহোমৰ ৰাজত্বৰ সময়ত ডিব্ৰুগড়ত শ্ৰীশ্ৰী কলি আই থান প্ৰতিষ্ঠা হৈছিল আৰু সেই তেতিয়াৰ পৰাই দৈনিক শ শ ভক্তই থানখনলৈ আশীৰ্বাদ বিচাৰি যায়। ১০ ছেপ্টেম্বৰত এশ এজন ভকতৰ যোগেদি বছেৰেকীয়া নামভাগ সম্পন্ন হ'ব।

ডিব্ৰুগড়ত সুধাকণ্ঠৰ জন্ম